# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ ১৫ দিনীয়া বাজেট অধিবেশন আজিৰে পৰা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰ বিটিচি বিধায়িনী ভৱনত ৰাজ্যপালৰ ভাষণেৰে বাজেট অধিৱেশন আৰম্ভ হয়। ইয়াৰ পাছত ১৯ ফেব্ৰুৱাৰীৰ পৰা অধিৱেশনৰ কাৰ্যসূচীসমূহ দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হয়। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে এইবাৰৰ বাজেট অধিৱেশনত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ৰাজ্যিক বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, অসম ক'চিং ইনষ্টিটিউট নিয়ন্ত্ৰণ আৰু নিয়মাৱলী বিধেয়ক আৰু তিনিখন নতুন বিশ্ববিদ্যালয় স্থাপন বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হয়। বিধানসভাৰ এইবাৰৰ অধিৱেশনত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অশোভনীয় আচৰণ, বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিতৰ্কিত অডিঅ' বাৰ্তা, উপাধ্যক্ষ ডাঃ নোমল মমিনৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়াৰ অভিযোগ আদি কেইবাটাও বিতৰ্কিত ঘটনা চৰ্চালৈ আহে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সফল সামৰণি আৰু অসমলৈ দেশী-বিদেশী বিনিয়োগকাৰীৰ বিনিয়োগৰ প্ৰস্তাৱ সম্পৰ্কেও সদনত বিবৃতি দিয়ে। অসম বিধানসভাই এইবাৰৰ অধিৱেশনতে ভাৰতীয় ক্ৰিকেট দলৰ চেম্পিয়নছ ট্ৰফী লাভ আৰু অসম সন্তান দেৱজিত শইকীয়া বিচিচিআইৰ সচিবৰূপে নিৰ্বাচিত হোৱাকে ধৰি কেইবাটাও সফলতাৰ বাবে অভিনন্দনসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। আজি সদনৰ অধিৱেশনৰ সামৰণিত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এইবাৰৰ অধিৱেশনৰ সফল সামৰণিৰ বাবে বিটিচি কৰ্তৃপক্ষ, অসম চৰকাৰ, মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী পৰিষদৰ সদস্যসকল, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ প্ৰতি কৃতজ্ঞতা জনায়।

ooooo

অসম বিদ্যুৎ নিয়ামক আয়োগে অহা ১ এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ বিদ্যুতৰ নতুন নিৰিখ সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে। অসম বিদ্যুৎ বিতৰণ কোম্পানী এ পি ডি চি এল, অসম বিদ্যুৎ গ্ৰীড কোম্পানী আৰু ৰাজ্যিক ভাৰ বিতৰণ কেন্দ্ৰৰ আবেদনৰ ওপৰত ভিত্তি কৰি এই নতুন নিৰিখ সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰা হয়। আয়োগে সকলো পক্ষৰ মতামত গ্ৰহণৰ পাছত সাধাৰণ গ্ৰাহক আৰু জীৱনধাৰা আঁচনিৰ অধীনৰ গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত বিদ্যুৎ মাচুল এটকাকৈ হ্ৰাস কৰাৰ নিৰ্দেশ দিছে। আন সকলো গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত ২৫ পইচাকৈ বিদ্যুৎ মাচুল হ্ৰাস কৰাৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে এ পি ডি চি এলে দাখিল কৰা আবেদনত ২০২৫-২৬ বৰ্ষৰ বাবে নতুন নিৰিখত সাধাৰণ গ্ৰাহকৰ বিদ্যুৎ মাচুল বৃদ্ধিৰ প্ৰস্তাৱ দাখিল কৰা হোৱা নাছিল। অসম বিদ্যুৎ নিয়ামক আয়োগে সাধাৰণ গ্ৰাহক, বিদ্যুতৰ উৎপাদন, বিতৰণ আৰু গ্ৰীডৰ তিনিওটা কোম্পানীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰিখ নিৰ্ধাৰণ কৰিছে। ইয়াৰ পূৰ্বে আয়োগে সংশ্লিষ্ট সকলো পক্ষৰে

মতামত গ্ৰহণ কৰাৰ উপৰি যোৱা ১২ মাৰ্চত আয়োগৰ কাৰ্যালয়ত ৰাজহুৱা শুনানিও গ্ৰহণ কৰিছিল। এই শুনানিত ১২ টা পক্ষই বিদ্যুৎ নিৰিখ আবেদন সন্দৰ্ভত নিজৰ মতামত আগবঢ়াইছিল।

০০০০০

গণ প্ৰহাৰত এজন লোকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কৰ্তব্যত গাফিলতিৰ বাবে ওদালগুৰিৰ আৰক্ষী অধীক্ষকে ইকৰাবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জে পি শৰ্মাক ৰিজাৰ্ভ ক্লজৰ নিৰ্দেশ দিছে। যোৱা ২০ মাৰ্চত ওদালগুৰি জিলাৰ কঠালবাৰী গাঁৱত তামোল চুৰিৰ সন্দেহত লালমোহন ৰায় নামৰ এজন লোক গাঁওবাসীৰ প্ৰহাৰত নিহত হৈছিল আৰু এই সন্দৰ্ভত আৰক্ষী বিষয়াগৰাকীয়ে তদন্ত প্ৰক্ৰিয়াত গাফিলতি কৰাৰ অভিযোগ উঠিছিল। এই অভিযোগৰ প্ৰাথমিক তদন্তৰ পাছত জিলা আৰক্ষী অধীক্ষক পুস্কিন জৈনে আজি এই নিৰ্দেশ জাৰি কৰে।

০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তীব্ৰতৰ হৈছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে আজিও কেইবাগৰাকীও নেতাই প্ৰচাৰ অভিযানত অংশ লয়। সমষ্টিকেইটাত বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰচাৰ তীব্ৰ কৰি তুলিছে। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই আজি কেইবাটাও সমষ্টিত এন ডি এ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাই আজি গোৱালপাৰা জিলাৰ ধূপধৰা পৰিষদীয় সমষ্টিত দলীয় প্ৰাৰ্থী মীনা পাটগিৰিৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। একেদৰে কংগ্ৰেছ দলৰ প্ৰাৰ্থী সঞ্জীৱ কুমাৰ ৰাভা আৰু ভোটাৰ্ছ পাৰ্টী অব্ ইণ্ডিয়াৰ পুনম হাজোৱাৰীয়েও আজি প্ৰচাৰ চলায়। বিজেপিৰ প্ৰাৰ্থী সুচিত্ৰা নাথ, কংগ্ৰেছ দলৰ প্ৰাৰ্থী সোণালী সূত্ৰধৰ আৰু নিৰ্দলীয় প্ৰাৰ্থী সাধনা চাংমাৰ প্ৰচাৰ অভিযানেও আকৰ্ষণীয় ৰূপ লৈছে।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। বিজেপি আৰু কংগ্ৰেছ দলে আজি জিলাখনৰ নিৰ্বাচন হ'বলগীয়া সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ লয়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

সমাপ্ত